Year of publication 1904

# কলিযুগ।

## (পৌৰাণিক ধেমেলীয়া নাট।)

—— *:○:* ——

শ্ৰীবেণুধৰ ৰাজখোৱা, বি-এ,
আৰু
শ্ৰীদুৰ্গাপ্ৰসাদ দত্ত
দ্বাৰা লিখা।

ঘোষ ব্ৰাদাৰ্স এণ্ড কোং দ্বাৰা
প্ৰকাশিত।
শিৱসাগৰ।

কলিকাতা,
৬নং কলেজ-স্কোয়াৰ, সাম্য যন্ত্রে,
শ্ৰীনিবাৰণচন্দ্ৰ ঘোষ দ্বাৰা মুদ্ৰিত।

১৯০৪।

বেচ [illegible] মাথোন।

152
J
DIBRUGARH H. S. KANOI COLLEGE LIBRARY.

## "KALIYUGA."

BY

MESSRS. BENUDHOR RAJKHOWA, B. A.

*AND*

DURGA PROSAD DUTTA

IN

*MANUSCRIPT.*

This is a farce in the Assamese language. It is written in simple and chaste assamese and is full of wit and humour. It portrays in vivid Colours a typical Mahanta of the present day. What I admire most is the ingenuity and what I believe the originality in the mahanta expounding the meaning and definition of each of the 20 prefixes or *Upasargas* and each representing a separate either evil or good spirit. It has been so admirably and ingeniously arranged as is more than sufficient to show how credulous and simple people steeped in ignorance and deep-rooted superstition are easily improved upon by the unscrupulous mahantas and made to believe that anything and everything explained to them are really the meaning and spirit of the Sastras or other religious books held sacred by them, without suspecting, even for a moment that as a matter of fact they are so explained to them to serve the selfish motive of

the mahantas and which is the only means they find left to them for carrying on their trade.

The two young authors who have already made a mark in the literary circle deserve well of the country for making an attempt in this direction to expose such and other similar existing social evils of the present day and as such the book ought to find favour with every one who has the good of the country at heart.

In my opinion it ought to be a popular play in our stage and ought to be appreciated by an intelligent and literary audience.

SIBSAGAR,
*The 10th August,*
*1904.*

(Sd.) P. D. CHALIHA,
Retired *E. A. C.*

—:o:—

# কলিযুগ।

## প্ৰথম অঙ্ক।

### ১ম দৰ্শন।—কৈলাস।

( হাতত সোতালৈ নন্দীৰ আৰু কঁঠ লৈ ভৃঙ্গীৰ প্ৰবেশ )

গীত।

নন্দীৰ।—দেগা ঝাড়ু ভাই, ৰহ খাড়া।
বহ ফাৰাক্ ভাই, ৰহ খাড়া॥

ভৃঙ্গী।—লাগায়া দ্বিগদাৰি, ইয়েহ জুলুম ভাৰি,
বিস্তাৰা কেইসে হাম্ বিছায়ে গা॥

নন্দী।—আন্ধা, দেখ্‌তা নাহি, ময়লা মোকান।
ময়লা মোকান্ দেখ ময়লা মোকান॥

ভৃঙ্গী।—মহাৰাজা শিৱ, আতাহে মুনিব,
খাড়া ৰহ্‌নে নাহি সেক্‌তা বেইমান্॥

নন্দী ।—লাগাতা বাজা জী গাঁজেকি দম্ ।
গাঁজে কি দম্ ভাই গাঁজে কি দম্ ॥
আনেকা বহুত্ দেৰি. কাঁহেকো দৌড়াদৌড়ি,
ভৃঙ্গী ।—ঘাবৰাণেকা তব্ নাহি কুচ্ কাম ॥
দুয়ো ।—বজায়া কাম ভাই, কৰোঁ পিয়াৰ ।
কৰোঁ পিয়াৰ ভাই, চল ইয়াৰ ॥

[ প্ৰস্থান ।

( লগত ব্ৰহ্মা আৰু বিষ্ণুক লৈ শিৱৰ প্ৰবেশ । )

ব্ৰহ্মা ।—শুনিছা নে বান্ধ, সৃষ্টি যায় হে লাগে ।
আমাৰ ভেটি উছন হব লগীয়া হল ।
খাবলৈ নেপাই নাভি-পদ্ম লেৰেলি গল ।

বিষ্ণু ।—মিতা শিৱ, কথাটো নো টং নকৰাঁ কিয় । কলিযুগত নৰ-মনিচৰ মূৰ্খালিত আমাৰ ফালে পৰালি পৰিল ! যাগ-যজ্ঞ, জপ-তপ, পুজা-পাটল, আগ-ভাগ, নাম-কীৰ্ত্তন, সবাহ-হুকষা একো নাইকিয়া হল । এতিয়া হে মোৰ খিতিঙ্গালি কৰি খাইফুৰা দেৱতাৰ কপাল খন মুকলি হল !

ব্ৰহ্মা ।—ভৈয়াই ঐ, ভাবিছিলোঁ আমাৰ দিন কেইটা এই দৰে পেট মোহাবিয়েই যাব । কালৰ দশা ! খাবলৈ নেপাই কমণ্ডলু হাতৰ পৰা সৰি কতনো ঠেকেচা নেখাইছে ! মই নো ক'ত নমৰি আছোঁ, মোৰ লাহৰী গঙ্গা আইয়ে জানো কমণ্ডলুৰ ভিতৰতে ঠেকেচাত পানী হৈ গল । ( কমণ্ডলুৰ ভিতৰলৈ জুমি ) হাঁয় হাঁয়, গঙ্গা মোৰ "পানী কৃত" হৈ পৰিল ! ( শিৱলৈ চাই ) বোলোঁ জলকা মাৰি

যে আছা, তোমাৰ জটাৰ গঙ্গাৰ ফালে কি হল, নোচোৰাঁ কেলৈ ?

শিৱ।—( গা খজুৱাই ২ ) হেৰ কোন্ আছ, এচিলিম লৈ আহ্.। ( জটা মেলি ) উহ্., উহ্., মোক খালি খালি ! ইমান দিন আতোলতোলকৈ মূৰত লৈ ফুৰাৰ পোতক এতিয়াহে দিলি। কোন্‌টো সতেৰে নো তই লুপ্ত হলি ! হাঁয় হাঁয়। ( বেজাৰ )

( ভাঙ্গৰ চিলিমে সৈতে নন্দীৰ প্ৰবেশ। )

নন্দী।—দেউতা, ধৰক, টানকৈ হোপাটো মাৰক।
উৰিয়ামৰ খৰি চেচেৰা পৰি যাব।

[ প্ৰস্থান।

বিষ্ণু।—এতিয়া ভাঙ্গৰ হোপাত বুদ্ধি উজাৰ খাইছেনে ? এটা বুদ্ধি সাজি-পাৰি উলিওঁৱা। তুমি হে আমাৰ বুদ্ধিৰ ভুৰুকা, বিহুৰ জেটুকা, ঢোলৰ মাৰি, বিপদ-সাগৰত ভীম-কলৰ গুৰি, এন্ধাৰত বোন্দা-কেচুৰ ৰস, ডোম-জ্বৰত বুঢ়া ভালুকৰ নখ।

শিৱ।—এতিয়া ৰাগিটো পকিছে। এটা বুদ্ধি কৰিব লাগিল। সকলো দেৱতা গোটখাই এখন মেল পাতি এই কথাৰ আলচ কৰেঁাহঁক। গয়ৰহ ৰায়তক জাননী দিয়া যাওক। সকলো ভদ্ৰলোকক আৰু মণ্ডল, গাওঁবুঢ়া, মেৰী, বায়ন, ওজা-আদি মুখিয়াল দেৱতাক নিমন্ত্ৰণ কৰিব লাগে।

ব্ৰহ্মা।—এৰা, এনে এটা উপায় নকৰিলে নহয়। নাৰদকে এই মেলৰ নিমিত্তে নিমন্ত্ৰণৰ ভাৰ দিয়া যাওক।

বিষ্ণু, শিৱ।—হয়, সেয়ে হওক।

ব্ৰহ্মা।—ৰাইজ্ গোটাবলৈ এখন জাননী লিখা হওক। কাপ মৈলাম জোৰ আৰু তুলাপাত এডোখৰ আনিবলৈ কোৱাঁচোন।

শিৱ।—ভৃঙ্গী, তুলাপাত এডোখৰেবে সৈতে কাপ মৈলাম জোৰ লৈ আহ।

( লেখাৰ সজুলি লৈ ভৃঙ্গীৰ প্ৰবেশ। )

শিৱ।—( ব্ৰহ্মালৈ চাই ) ধৰাঁ, তুমিয়েই জাননী খন লিখাঁ।

ব্ৰহ্মা।—এ, মোৰ বিট্-চকুজোৰ আনিবলৈ নহল। তোমাৰ জোৰকে আনিবলৈ কোৱাঁ হে।

শিৱ।—হেৰ, মাৰক খুজি মোৰ চকু জোৰ লৈ আহ্।

[ ভৃঙ্গীৰ প্ৰস্থান।

ব্ৰহ্মা।—বাস্তবিকে কলিযুগে মানুহক বৰকৈ পীড়িছে। আমি নো মেল-দোৱান কৰি, সিহঁতক ভাল বাটলৈ আনিব পৰা আগন্তুক আছেনে ?

বিষ্ণু।—যত্নৰ অসাধ্য কি আছে।

শিৱ।—মৰিলেও লোকে হাত-ভৰি এছাবি হে মৰে। আমি ভাল কৰিব পাৰোঁ নোৱাৰোঁ, তাৰ মীমাংসা এতিয়া হব নোৱাৰে। সকলো মেলুৱাইৰ ভিতৰত আলোচনা হলেহে ইয়াৰ প্ৰকৃত সিদ্ধান্ত হব পাৰে। সাগৰ-মন্থন নহলে, লক্ষ্মীৰ আবিৰ্ভাব হব নোৱাৰে। হেৰ ভৃঙ্গী, বেগাই লৈ আহ্।

[ ভিতৰৰ পৰা ভৃঙ্গীয়ে মাতে।

ভৃঙ্গী।—গৈছোঁ দেউতা, ওঁ বোলোতেই ওলায় নে ?

( ভৃঙ্গীৰ প্ৰবেশ । )

ভৃঙ্গী ।—(বিট-চকু দি ) ধৰক দেউতা, আইয়ে ভুতুনী বাহৰ পেনেৰা পো-নাতি বোৰক এমুঠি নিদিলে জানো এৰাব পাৰে ? সেই দেখি হে বেলি হৈছিল।

[ ভৃঙ্গীৰ প্ৰস্থান।

ব্ৰহ্মা ।—(বিট্-চকু পিন্ধি জাননী লিখি এটাঁই ) শুনাচোন, জাননী খন গাওঁ ।

বিষ্ণু ।—কি শুনাব লাগিছে। তুমি জানো লিখিব নেজানা। যমক লৰা মাৰিবলৈ শিকাব লাগিছে নে ?

ব্ৰহ্মা ।—বলাঁ তেন্তে যাওঁ। নাৰদক জাননী খন দিওঁ গৈ। হেলেম কৰি থাকিব নোৱাৰি। জোৰ পুৰি বৰলাৰ হাত পালে গৈ।

[ সকলোৰে দিহাদিহি প্ৰস্থান।

## ২য় দৰ্শন ।

(অমৃতাৰ ঠাৰি বজাই বজাই নাৰদৰ প্ৰৱেশ ।)

### গীত ।

জয় সাধু নাশন, অসাধু তাৰণ, দেৱগণ-ভাত-হৰণ হে।
খাৱলৈ নেপাই, কাচুটি নৰয়, খহি খহি পৰে সঘন হে ॥
তুমি অসমীয়া, সোৰোপা কানীয়া, অনন্ত শয্যাত শয়ন হে।
উপদেশ ধৰাঁ, সৃষ্টি ৰক্ষা কৰাঁ, বাহু টানি মেলাঁ নয়ন হে ॥

(ব্ৰহ্মাৰ প্ৰবেশ ।)

ব্ৰহ্মা ।—বোপা নাৰদচন্দ্ৰ, তোমাক বাটতে পালোঁ, ভালেই হল। মই তোমাক বিচাৰি হে আহিছিলোঁ। বোপা, কলিযুগত সংসাৰত নৰ-মনিচে ধৰ্ম্ম কৰ্ম্ম

জলাঞ্জলি দি আমাৰ যেনে অথন্তৰ মিলাইছে, জানিছাই। বিষ্ণু, শিৱ আৰু মই তিনিও পৰামৰ্শ কৰি সিহঁতক সনাতন ধৰ্ম্মৰ বাটলৈ আনিবলৈ মনত ঠিক কৰা হৈছে। তালৈকে এখনি ৰাজহুৱা মেল কৰিবলৈ সিদ্ধান্ত কৰি, তোমাক সম্পাদক পাতি, মেলুৱাই গোটাবলৈ ভাৰ দিয়া হৈছে। পুতাই, তুৰন্তে এই মহৎ কাম সমাধা কৰাঁ।

নাৰদ।—আপুটি, তুমি আৰু সৰহ কব নেলাগে। মই ৰঙ্গেৰে এই কামৰ ভাৰ ললোঁ। নেদেখিছা বীণাৰ তাঁৰ কিনিবলৈ বিত নোহোৱাত অমৃতাৰ ঠাৰি বজাই ফুৰিছোঁ। যিবা ফুৰিবলৈ ঢেকি এপাট আছিল, ইন্দ্ৰৰ পৰিবাৰ শচী আইদেৱে ধান বানিবলৈ তাকো লৈ গল। এতেকে বোপাই, তোমাৰ ৰাজহাঁহটোকে দিয়াঁ—তাতে উঠি মই বেগতে ৰাইজ মাতি আনো।

ব্ৰহ্মা।—সোনাই, তোমাৰে বস্তু। মোক নো খুজিব লাগিছে কেলৈ। মাথোন যাতে শিয়ালে নিব নোৱাৰে তাৰে তদাৰক কৰিবা। আৰু মুখেৰে ৰাইজক মাতিব নেলাগে। এইখন জাননী লিখি আনিছোঁ—তুমি ইয়াতে প্ৰত্যেকৰ চহি লবা। [জাননী পত্ৰ দিয়ে।

## জাননী।

নাৰদ।—(পঢ়ে) ইয়াৰ দ্বাৰা, স্বৰ্গ মিউনিচিপেলিটিৰ ভিতৰৰ আমোলাপটি. বঙ্গালীপটি, চক্‌বজাৰ-আদি ঠাইৰ "ৰেট্‌পেয়ৰ" সকলক, আৰু সুৰ্য্যলোক, চন্দ্ৰলোক-আদি মৌজাৰ ৰায়ত সকলক আৰু কমাৰ, কুমাৰ, ধোবা,

নাপিত-আদি গয়ৰহ প্ৰজাক জনোৱা যায় যে, অহা দেওবাৰৰ দিনা বেলি পৰোঁতেই 'নাচনী ঘৰত' এখনি বাজহুৱা মেল বহিব।

বিষয়—"মনুষ্য-জাতিৰ মুক্তিৰ উপায়" (Salvation to mankind) সকলোৱে যেন ঠিক সময়তে মেলত উপস্থিত হয়।

স্বৰ্গ-ধাম
খৃষ্টাব্দ ১৯০৪।১২ জুলাই } শ্ৰীনাৰদচন্দ্ৰ ভট্টাচাৰ্য্য,
স্বৰ্গৰ হিতকাৰী সম্পাদক।

নাৰদ।—অতি সুন্দৰ জাননী হৈছে। মই এই মুহূৰ্ত্তেই ওলালোঁ।

[দুইৰো প্ৰস্থান।

---

# দ্বিতীয় অঙ্ক।

## ১ম দৰ্শন।—বিৰাট মেল।

(ইন্দ্ৰ, নাৰদ, বিশ্বকৰ্ম্মা, মণ্ডল, গাওঁবুঢ়া-আদি উপবিষ্ট। কুবেৰৰ প্ৰবেশ।)

নাৰদ।—(আথে-বেথে উঠি) আহক, বহক হি। নবহিল দেখোন—থিয় হৈ থাকিল। বহক।

কুবেৰ।—(খঙ্গেৰে) তুমি মিছাতে বুঢ়া হলা। যথাযোগ্য মান-সম্ভ্ৰমৰ হিচাব নেজানা যদি, সম্পাদকৰ ভাৰ লৈছিলা কিয়? এই জন বাঢ়ৈটোকাৰ সাৰিতে মোক বহি-বলৈ দিলা নে?

বিশ্বকৰ্ম্মা।—আঁত-কৰালি ধন-গুটৈ, পইতা ভাতত খৰিকা-মৰা পালি নে কি?

কুবেৰ।—হাতুৰি পিটে৷ তে চালৰ এমোট গল। এতিয়া মথুৰা পাগটো মাৰি নেদেখিছা ভীমটোকাটো হৈ ডাঙ্গৰীয়া বোলাইছে হি।

বিশ্বকৰ্ম্মা।—(ইন্দ্ৰক দেখুৱাই) এই জন হাতী-গিৰীয়া ইমান ডাঙ্গৰ লোক, তেওঁ একে সাৰিতে বহিছে। সোবোৰ গাওঁবুঢ়াই চৰ্কাৰৰ ঘৰৰ পৰা ডুপুৰাকৈ মান-মাটি পাইছে, তেওঁলোকৰ হোঁ-হেঁকো একো নাই। মণ্ডল ডাঙ্গৰীয়া গাওঁৰ ৰজা, কেনেকৈ বৰলোকৰ দৰে বহি আছে। এথেতৰ হে বহিবলৈ ইয়াত ঠাই নাইকিয়া হল।

নাৰদ।—আহক, আহক, শুভ-কাৰ্য্যত বিঘিনি নঘটাব।

[কুবেৰক নি বেলেগে বহুৱায়।

(হেট্ কোট্ পিন্ধি ধন্বন্তৰীৰ প্ৰবেশ।)

নাৰদ।—আহক, বেজবৰুৱা হজুৰ, বহক হি।

[ধন্বন্তৰীৰ আসন গ্ৰহণ।

(অশ্বিনী কুমাৰৰ প্ৰবেশ।)

নাৰদ।—অশ্বিনী বাবু, আস্থন, আস্থন, বস্থন।

অশ্বিনীকুমাৰ।—কি নাৰদ বাবু, খাবাৰ জোগাৰ টোগাৰ সব ঠিক আছে ত? আমি ত বাড়ীতে ভাই খেয়ে আসি নি।

(অগ্নিৰ প্ৰবেশ।)

অগ্নি।—আমি এক পেট খেয়ে এয়েছি।

এক দিস্তা লুচি আৰ সেৰ খানিক ঘোল।
কিন্তু ভাই, এ পেটে এতক্ষণ কি তা থাকে।

সব খতম্—সব খতম্। কিছু খেতে না পেলে
আমাৰ ত দফা সাড়া।

[ অশ্বিনীকুমাৰ আৰু অগ্নি বহে।

( যম, চন্দ্ৰ, সূৰ্য্য, বায়ু, বৰুণ আদিৰ প্ৰবেশ আৰু উপবেশন।)

নাৰদ।—সৌৱা, ব্ৰহ্মা, বিষ্ণু আৰু শিৱ আহিছে।
কাৰ্য্য আৰম্ভ কৰিব পৰা হলেই।

[ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ প্ৰবেশ।
সম্‌জুৱাসকল থিয় হৈ হাত-চাপৰি। তেওঁ বিলাক বহাৰ পাছত সকলো নিজ নিজ ঠাইত বহে।]

( হাহা-হুহু গন্ধৰ্ব্বৰ গীত। )

হে প্ৰভু কৰুণাময়, কৰিছোঁ কাকুতি আমি।
দেখিছা দুৰ্গতি হৰি, তুমিহে অন্তৰ-যামী॥
দেহত দিয়াঁ শকতি, উলাহ-প্ৰাণত অতি,
পূৰোৱাঁ মন-বাসনা, তুমি ত্ৰিজগত-স্বামী॥

নাৰদ।—আপোনালোকে এতিয়া এজন সভাপতি মনোনীত কৰক।

ধন্বন্তৰী।—আমি প্ৰস্তাব কৰে, শ্ৰদ্ধাস্পদ ব্ৰহ্মা সভাপতি হইতে পাৰে।

ইন্দ্ৰ।—মই প্ৰস্তাব কৰোঁ, বৈকুণ্ঠ সত্ৰাধিকাৰ শ্ৰীশ্ৰীশ্ৰীশ্ৰীল বিষ্ণু-চন্দ্ৰ গোস্বামীয়ে সভাপতিৰ আসন গ্ৰহণ কৰক।

যম।—ৰেভাৰেণ্ড্ ফাদাৰ ( Reverend Father ) শিৱক সভা-পতি বৰণ কৰা যাওক।

নাৰদ —যেতিয়া মত ভেদ হল, ভোটৰ দ্বাৰা এই বিষয় মীমাংসা কৰা হওক।

সমজুৱা।—হয়, হয়।

নাৰদ।—সকলোৱে হাত দাঙ্গি নিজৰ মত প্ৰকাশ কৰিব আৰু মোৰ বন্ধু চিত্ৰগুপ্তই ভোট গণনা কৰিব। প্ৰথমতে, যি সকলে ব্ৰহ্মাৰ পক্ষে ভোট দিয়ে, তেওঁ বিলাকে হাত দাঙ্গক।

[ কেত বিলাকে হাত দাঙ্গে আৰু চিত্ৰগুপ্তই লেখে।

নাৰদ।—যি সকলে বিষ্ণুক মনোনীত কৰিব খোজে, তেওঁ বিলাকে হাত দাঙ্গক।

[ কেত বিলাকে হাত দাঙ্গে আৰু চিত্ৰগুপ্তই লেখে।

নাৰদ।—যি সকলে শিৱক সভাপতি কৰিব খোজে, এতিয়া তেওঁ-বিলাকে হাত দাঙ্গক।

[ কিছু মানে হাত দাঙ্গে আৰু চিত্ৰগুপ্তই লেখে।

নাৰদ।—কাৰ কিমান ভোট হল, অনুগ্ৰহ কৰি চিত্ৰগুপ্ত কেৰেনী বাবুৱে মাতি শুনাওক।

চিত্ৰগুপ্ত।—ব্ৰহ্মা— ৯ কোটি ভোট।
বিষ্ণু—১৩ " "
শিৱ—১১ " "

নাৰদ।—প্ৰভু জগন্নাথ বিষ্ণুচন্দ্ৰ সভাপতি হল।

[ সকলোৰে হাত-চাপৰি আৰু বিষ্ণুৰ সভাপতিৰ আসন গ্ৰহণ।

সভাপতি।—( থিয় হোৱাত সমজুৱাৰ হাত-চাপৰি ) চতুৰ্ব্বেদ স্ফীতোদৰ গঙ্গাটোপ ব্ৰহ্মা ঠাকুৰ, জঁটীয়া মোহিনী ঘোটা-পায়ী ভটৰা-বাহন শিৱজী, উচ্চৈঃশ্ৰবা চেকুৰাওঁতা সুৰা-মতোৱাল মহাৰাজ ইন্দ্ৰ প্ৰমুখ্যে ভদ্ৰলোক সকল—

আমাৰ আজিৰ বিষয়—"মনুষ্য-জাতিৰ মুক্তিৰ উপায়।" বৰ

বেজাৰৰ কথা, কলিযুগত মানুহ বিলাক ঘোৰ অধৰ্ম্মত লিপ্ত হল। অৱশ্যে মানুহৰ অধৰ্ম্ম দ্বাৰা আমাৰ নিজৰ অনিষ্ট ঘটিছে। কিন্তু মই কওঁ, ইয়াৰ দ্বাৰা আমাৰ, আন কি চালৰ পানী কাণে নোযোৱা হেঁতেনো পৰৰ হন্তেই আমি তেওঁ বিলাকক উদ্ধাৰ কৰিব লাগে। নহলে উদাৰ-চৰিত দেৱতাৰ দেৱত্ব লোপ পাব। "পৰোপকাৰায় সতাংহি জীৱনম্।" এতিয়া কি উপায়েৰে এই পতিত মনুষ্য-জাতিৰ উদ্ধাৰ সাধন কৰিব পৰা যায়, তাৰ উপায়, স্থিৰ কৰা হওক। মোৰ নিজৰ বক্তব্য পিছলৈ থলোঁ। আপোনালোকৰ নিজ নিজ মন্তব্য অনুগ্ৰহ কৰি প্ৰকাশ কৰক।

[ বহে আৰু সমজুৱাৰ হাত-চাপৰি।

ইন্দ্ৰ।—মোৰ মনেৰে, আমি পৃথিবীত আদেশ প্ৰচাৰ কৰি দিওঁ, যে যি সনাতন শাস্ত্ৰৰ বহিৰ্ভূত কাম কৰিব ধৰ্ম্ম-দণ্ড বজ্ৰৰ আঘাতত সি চূৰ্ণ-বিচূৰ্ণ হৈ যাব।

গণেশ।—শিক্ষাৰ অভাৱত হে মানুহৰ এনে দুৰ্গতি হৈছে। এতেকে বিদ্যাবাগীশ বৃহস্পতি গুৰুৱে পৃথিবীলৈ নামি, কাশী বা শান্তিপুৰ নাইবা শালমৰা-মাজুলীত এখন টোল পাতি প্ৰাচীন শাস্ত্ৰৰ শিক্ষা দিয়ক।

ব্ৰহ্মা।—লোকক ভাল কৰিবলৈ হলে আগেয়ে নিজে ভাল হোৱা। আমি নিজে অধৰ্ম্মত মজিছোঁ।—পৰৰ ধৰ্ম্মভাব বিচৰা মূৰ্খালি। দুখীয়া হল বুলি বিশ্বকৰ্ম্মাই জোতা বেচিব পায় নে? ঋষি সকলে শূদ্ৰীৰ শৰাধত শুদা গৰু-গাখীৰ টোপা পি খাব লাগে—তাকে নকৰি তেওঁবিলাকে বাৰু

পকা জলপান খায় কিয় ? আমাৰ লৰা বিলাকে বিস্কুট, পাওৰুটি, মিঠা-পানী, বজাৰৰ মিঠৈ ; এই বিলাক খায় কিয় ? টিকনি কটাটো মহাপাপ নহয় নে ? এনে স্থলত তুমি নমৰি মৰে কোন্ ? এতেকে আমি নিজে সদাচাৰী হবলৈ চেষ্টা কৰোহঁক। দিনটোত তিনি বেলি গা ধুম—বঙ্গা ধুতি কাপোৰ সলাম—দীঘলকৈ কপালত গঙ্গামৃত্তি·কাৰ ৰেঘা লম—গৰু-মূত পিম—তুলসী-পাত চোবাম। টিকনীত নির্ম্মালী যে থাকিবই। ববসবাহ পাতি, চাপ-ৰিৰ কোবত, তালৰ মাতত, ঢোল-খোলৰ বেবনিত স্বর্গ ফালি দিম। তেতিয়া চামচোন, মানুহে কেনেকৈ আমাক পূজা নুখুৱায়।

[ সমজুৱাৰ হাত-চাপৰি আৰু "সজ" "সজ" মাত।

শিৱ।—মোৰ অনুচৰ বিলাকক পৃথিবীলৈ পঠিয়াই অধৰমীহঁতৰ ভিতৰত মহামাৰি লগাই দিওঁ। ডাইনী-যোগিনী, ভূত, প্রেত, পিশাচ আদি গৈ যাকে যতে পায়, তাৰ গাতে লম্ভিব গৈ। তেতিয়া আমি যে পূজা পামেই, খালে-বিলে হাবিয়ে বননীয়ে পূজা-পাটল দিও মানুহে তৰণি নেপাব।

সভাপতি।—মই দুখেৰে আপোনালোকৰ মতত মত দিব নোৱা-বিলোঁ। কথা অতি গুৰুতৰ—আমি বৰ সাৱধানে খোজ পেলাব লাগে। এনে ডাঙ্গৰ কামৰ মীমাংসা আমি নিজে কৰাটো বৰ ভাল নুবুলিলোঁ ; কিয়নো হিতে বিপৰীত হব পাৰে। এতেকে পূর্ণব্রহ্ম শ্রীকৃষ্ণৰ গুৰিলৈ কেইজন মানক প্রতিনিধি কৰি,

উপদেশ সুধিবৰ নিমিত্তে পঠোৱা যাওক। তেওঁ যি কয়, সেয়ে আমাৰ সিদ্ধান্ত হব।

[সভাপতিৰ উপবেশন। সমজুৱাৰ "হয়""হয়" মাত আৰু হাত চাপৰি।]

ইন্দ্ৰ।—মই প্ৰস্তাব কৰোঁ, সভাপতি ডাঙৰীয়া নিজে, ব্ৰহ্মা আৰু শিৱ এই তিনি জনকে প্ৰতিনিধি মনোনীত কৰা যাওক।

যম।—মই আনন্দেৰে প্ৰস্তাৱ সমৰ্থন কৰিলোঁ।

[এক বাক্যে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

ব্ৰহ্মা।—মোৰ আপত্তি নাই।

শিৱ।—ভাল, আমিও যাবলৈ গাত ললোঁ।

সভাপতি।—এতিয়া বতৰ বাৰিষা—মহ-ডাহ, জোক-পোক, বোকা-পানী—দূৰলৈ যোৱা অসুবিধা। এতেকে আহিন মাহৰ বিজয়া দশমীৰ দিনাই আমাৰ গোলোক-ধামলৈ যোৱাৰ দিন ঠিক কৰা হল। শিৱই ভুত ভাবী কেইজন মান দিব—বাটত খাবলৈ কেই কঠামান পইতা-বৰাৰ কোমল-চাউল আৰু চুঙ্গা-দিয়েক টেঙ্গা দৈ আৰু গোটাদিয়েক কেৰিগুৰ লৈ যাব লাগিব।

শিৱ।—ভাৰীৰ বিষয়ে কি চিন্তা আছে। মই এতিয়াই বীৰভদ্ৰ বৰা নাজিৰ বাবুক হুকুম দি থম।

সভাপতি।—এতিয়া সভা ভঙ্গ হওক!

ধন্বন্তৰী।—আমি মান্যবৰ চৌকি-টেবিলেৰ প্ৰতি ধন্যবাদ প্ৰস্তাব কৰে।

[ সকলোৱে হাত-চাপৰি আৰু দিহা দিহি প্ৰস্থান।

---

# তৃতীয় অঙ্ক।

—*○*—

## ১ম দর্শন।—গোলোক-ধাম।

( সিংহাসনত ৰাধা-কৃষ্ণৰ উপবেশন। কৃষ্ণই ডবা-
ধোৱাঁ-খোৱাত ধপাত টানে। তেওঁৰ পাৰিষদ
জয়ে পেটত হাত বুলায় আৰু বিজয়ে
পেট বিচে।

বিষ্ণু, শিৱ আৰু ব্ৰহ্মাৰ প্ৰবেশ। ৰাধাই ওৰণী টানি মুখ ঢাকে।

### বন্দনা।

বিষ্ণু।—

তুমি অগতিৰ গতি, ৰাধা-গিন্নী-মাৰ পতি,
কৰাঁ কৃপা কৰ্ত্তা বাবু, পশিলোঁ শৰণ হে।
ঢাপলিকা গিৰি জিনি, বিচিত্ৰ পেটৰ জনী,
কেনে তাক মোহাৰিছে, কৰিছে ব্যজন হে॥
মকৰাৰ জাল যেন, পাতল চুৰিয়া খন,
ভীমকায় গাৰু পাৰি, কলমটিয়ন হে।
মুখত শোভিছে চোৰাঁ, কেনে ডবা-ধোৱাঁ-খোৱা,
জাহাজ-ধোৱাঁৰ দৰে, ধোৱাঁৰ উৰণ হে॥
লাহতী সেওঁতা ফালি, বান্ধিছা প্ৰেমৰ আলি,
মহিষা সুৰৰ শৃঙ্গ, গোফ বিতোপন হে।

ওথ গলধন ছোৱে, মন-মোহা খোপাটোৱে,
পিন্ধা তাতে কাঠফুলা, ফুল সুশোভন হে ॥

কৃষ্ণ।—ডাঙ্গৰীয়া সকল, আপোনালোকৰ অভিপ্ৰায় ব্যক্ত কৰি কৃতাৰ্থ কৰক।

ব্ৰহ্মা।—( বেজাৰেৰে ) হজুৰ গৰিপ-পৰোবাৰ, দেৱতাৰ আলৈ-আথানিৰ কথা শুনিলে শ্ৰীচৰণৰ নাকৰ পানীয়ে চকুৰ পানীয়ে একাকাৰ হব।

[ কান্দিবলৈ ধৰে।

কৃষ্ণ।—হে ব্ৰহ্মাণ্ডপতি, আপুনি উলিয়াই-দিয়া-জীয়ৰী-ছোৱালীৰ নিচিনাকৈ হুঁক্-হুঁক্.কৰে কিয় কান্দিছে? হে যোগীন্দ্ৰ-মহেশ্বৰ, আপোনাৰ ধৈৰ্য্য অসীম। আনুপূৰ্ব্বিক ঘটনা অনুগ্ৰহ কৰি বৰ্ণনা কৰক।

শিৱ। ওহে পতিতপাবন জগদীশ্বৰ! এই কলিযুগত পৃথিবীত মনুষ্য-জাতিয়ে ব্ৰহ্মাৰ বেদ অবজ্ঞা কৰিলে। শাস্ত্ৰ-ভাগৱত দলিয়াই পেলাই ঘোৰ নাস্তিক হল। পূজা-পাটল, আগ-ভাগ, হোম-যজ্ঞ, আদি লোপ-পালে। দেৱতা সকলৰ ভিকাচন ভাগিল। খাবলৈ নেপাই গৰৈ-পোনাৰ দৰে আমাৰ কমনি লাগিছে। কি উপায়েৰে মানুহৰ ধৰ্ম্মভাব হব পাৰে, তাকে মীমাংসা কৰিবলৈ আমাৰ ভিতৰত এখন বিৰাট মেল বহিছিল। সেই মেলৰ আদেশ অনুযায়ী আমি তিনিও প্ৰতিনিধি হৈ, মানুহৰ উদ্ধাৰৰ উপায় সুধিবৰ নিমিত্তে আপোনাৰ শ্ৰী-ভৰিত পৰিছোঁ হি। বিশিষ্ট-

উপায়ৰ দ্বাৰা মনুষ্য-জাতিৰ পৰিত্ৰাণ কৰি দেৱতাৰ হিত সাধক।

কৃষ্ণ।—একো ভয় নাই। দেৱতাবিলাকে পৃথিবীলৈ গৈ ঠায়ে ঠায়ে মানুহৰ গৰ্ভত জন্ম ধৰি চাৰিও পোনে সুনীতি বিস্তাৰ কৰক গৈ। পূজা-পাটল কৰি ডবা শঙ্খ ঘণ্টাৰ দ্বাৰা দিক-বিদিক থলকনি লগাই দিয়ক। গেৰুৱা বসন পিন্ধি বক্তৃতাৰ সোঁত বোৱাই দিয়ক। নগৰ সঙ্কীৰ্ত্তনৰ দ্বাৰা অলিয়া-বলিয়াৰ দৰে নাচি-বাগি মানুহক মোহিত কৰক। বাৰে-কুৰি গোঁসাই-মহন্ত ওলাই চাহ-বাগিচাৰ কুলি, মিকিৰ, নগা, মিৰি, ভোট, ডফলা, লালুং আদি পৰ্ব্বতীয়া মানুহবিলাকক ভক্তিৰ ৰস কচু-পাতৰ ঠোলা ভৰাই কাঁউত কাঁউত-কৰে পিয়াই দিয়ক। লেতেৰা অন্ত্য জাতিক কোঁচ কুললৈ তোলক। বাৰে হেজাৰ ডেকা গোঁসাই মহন্ত গাঁৱে গাঁৱে কৰ-পচা তুলি শিচক সৰ্ব্বস্বান্ত কৰি ভক্তিৰ কঠিয়া পাৰক। তেতিয়া চাব, আপোনালোকৰ সুখৰ মন্দাকিনী ওফন্দি পৰিব—দানা খাবলৈ পাই সুৰভীৰ গাখীৰ উভৈ নদী হব—পাৰিজাতৰ গোন্ধত স্বৰ্গপুৰী আমোলমোল্ হব।

বিষ্ণু।—সাধু, সাধু। আমি কৃতাৰ্থ হলোঁহঁক। প্ৰভুৰ আদেশ মূৰত তুলি ললোঁ।

ব্ৰহ্মা।—(হৰিষ-মনেৰে) প্ৰভু, বেদ উদ্ধাৰ হল। এতিয়া বিদায় মাগিলোঁ। কৰ্ত্তব্য কামত কাচি-পাৰি লাগোঁ গৈ।

[ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ প্ৰস্থান।

# চতুৰ্থ অঙ্ক।

## ১ম দৰ্শন।—কৈলাস।

( সকলো দেৱতা উপস্থিত। )

ইন্দ্ৰ।—পৃথিবীত গৈ ঠায়ে ঠায়ে মানুহৰ পেটত জন্ম লোৱাই আমাৰ এতিয়া কৰ্ত্তব্য কাম। মই ইংৰাজ ৰজাৰ পেটত জন্ম ধৰিম গৈ। বিচক্ষণ তৰ্কজাল মেলি ইংৰাজ বিলাকক সনাতন পবিত্ৰ ধৰ্ম্মৰ বাটলৈ আনিম। দেখিবা, তেওঁ-বিলাকে তেতিয়া কেনেকুৱা দীঘল ৰেখা মাৰিব, মূৰত টিকনী ৰাখিব, গা ধুই ৰঙ্গা চুৰিয়া পিন্ধিব, বৰ-সবাহ নাম-কীৰ্ত্তন আদিত মন দিব, পূজা-পাটল যাগ-যজ্ঞ কৰি মুক্তি লভিব।

সূৰ্য্য।—মই বুঢ়া-গোঁহাইৰ পেটত জন্ম দিম।

চন্দ্ৰ।—মই বৰ-গোঁহাইৰ বংশত জাত হম।

বৃহস্পতি—মই বৰ-পাত্ৰ গোঁহাই ডাঙ্গৰীয়াৰ গৰ্ভে দেও হম।

কুবেৰ।—তোমালোকে যি কৰাঁ কৰাঁ, মই হলে কেঞাৰ পো হম। শাক-ভজাৰে টিকিবা খাই বৰ গাৰুত আঁউজি ঘাঁউত্-ঘাঁউত্-কৰে উগাৰিম, মচৰ্-মচৰ্-কৰে কেঁচা মূলা চোবাই, মূলাৰ বংশ নিৰ্ব্বংশ কৰিম। মৌজাদাৰ ডাঙ্গৰীয়া সকলক ধন ধাৰে দিম। ব্যৱসায়-বাণিজ্য

করি দৌলৎ-দাৰ হৈ ঠাকুৰ-বাৰী পাতি সত্য-নাৰায়ণ পাঠ কৰাম, “গণেশজী” আৰু “শনিচৰ জী”ৰ পূজা কৰাম।

বৰুণ।—মই কিন্তু ডোমৰ লৰাহে হম। নামদাঙ্গৰ পুঠি, বলমীয়াৰ চিতল, কাকডঙ্গাৰ বৰালি, সোবণ শিৰীৰ বোকা-ঘৰিয়া, দিহিঙ্গৰ শিল-ঘৰিয়া, ধন শিৰীৰ বৌ, কলঙ্গৰ কচ—অ’ ভীমপৰা বিলৰ কাছটো কবলৈ থাকিলেই—তাৰেও,— যাতে ডোমে ভবিষ্যতে দেৱতা সকলক সিধা যোগায়, তাৰ দিহা কৰিম। নিজেও অতপালিকৈ মাছ-কাছ ডকচি পেলাম।

ৰিশ্বকৰ্ম্মা—মই চাবিগাঁওৰ সোণাৰি হম। মোৰ তিৰোতাৰ হাতে কাণে লমালমকৈ অলঙ্কাৰ অাঁৰি দিম। দিঙ্গিত মৃদঙ্গীয়া বাখৰামি, কৰদৈ শিৰীয়া, মাছ-বাকলীয়া, ৰেওৱাৰ বিৰি; গোটগাই বাখ্‌ৰামি চাকলি; প্ৰকাণ্ড মিনা-কৰা গেজেৰা; কাণত নেজত বাখৰ পতোৱা থুৰিয়া; হাতত দাঙ্গিব নোৱৰা সঁচাৰ মৰা সোণৰ খাৰু; দহো আঙ্গুলিয়ে জেঠি-নেজীয়া আঙ্গঠি পিন্ধাম। কপালত কপালী আৰু সেওঁতাত চিতিপাটি পিন্ধাই, মোৰ লাহৰী তিৰোতাক মোখোৰা-পিন্ধোৱা ভালুকী গাভৰুৰ নিচিনা মোহিনী কৰিম। তেতিয়া অলঙ্কাৰ-পাতি লগৰীহতঁক দেখুৱাবলৈ মোৰ তিৰোতাৰ স্বভা-ৱতে হেপাহ হব। তেওঁৰ উদ্যোগতে আই-নাম, গোপিনী সবাহ আদি হৈ, সকলো তিৰোতা ধৰ্ম্ম-কাৰ্য্যত লাগি যাব।

DIBRUGARH ... 14133 LIBRARY Accession No.

বায়ু।—মই মেতৰৰ বংশত উপজিম। মদ খাই কালীৰ পূজাত মতলীয়া হম।

যম।—মই ধোবা হম। বুঢ়া ম'হৰ বাজহাৰ এৰি গাধৰ পিঠিত উঠি ফুৰিম। গোঁসাই-মহন্তৰ কাপোৰ এছাৰি, ভাতৰ মাৰেৰে ইস্ত্রি কৰি বগলি পাখিৰ দৰে নিকা কৰি তেওঁসবৰ মনত পবিত্র সাত্ত্বিক ভাবঃপ্রকাশ কৰিম।

ব্ৰহ্মা।—মই যি বামুন, বামুণেই থাকিম। এই পেট জনী লৈ নো ডলাৰ বগৰিৰ দৰে ক'ত বাগৰি ফুৰিম গৈ। ঘৰতে বহি বহি মাননী চাই ব্যৱস্থা দিম। বিয়াৰ জোৰা-সম্প্ৰদা চাই দিম। চন্দ্ৰ তৰা নাহিলে বা অৰি-ষড়ষ্টক হলে তাৰ দিহা কৰিম। স্বগোত্ৰ বা স্ববংশত বিয়াৰ বিধি দিম। "চিত্তশুদ্ধি গৰীয়সী" এই ফাকি সৰ্ব্ব-ঢাক মন্ত্ৰ হোম-যজ্ঞ, দান-দক্ষিণা আদি সকলো কামতেই চলাই দিম।

বিষ্ণু।—মই চিতল-লুটীয়া সত্ৰৰ অধিকাৰ হৈ কুন্‌কি লগাই পালে পালে শিচ ভজাম। গুমুনী গৰুৰ চালৰ ডবাৰ কোবত শিচ বিলাকৰ কাণ তাল মৰাই দিম। গাৱেঁ গাৱেঁ ভাওনা পাতি ধৰ্ম্মৰ দোকান মেলি দিম।

শিৱ।—মই ফকিৰ হৈ দুৱাৰ-মুখে দুৱাৰ-মুখে "আলেখ্‌ জগাই" চাউল-সিধা লৈ কোনেও নেদেখাকৈ বজাৰত বেচি—বাঁজী তিৰোতাক লৰা-হোৱা ফাচ-ফুচ মাদলি দি আৰু বাছনীৰে পোতা-ধন বাছি, এজোপা বেলৰ তলত আসন পাতি ভাং-ধেতুৰা খাই, আবকাৰী মহল দখল কৰিম। তাৰ লগে-লগে সনাতন শাস্ত্ৰৰ ব্যাখ্যা কৰি, মানুহক ঘৰ-বাৰী

একত্ৰাই সৰ্ব্বস্বান্ত কৰি, ধৰ্ম্ম-নৈৰ পাৰ ভাঙ্গি দি, দশো-
দিশে ভক্তিৰ পানী বোৱাই দিম।

ধন্বন্তৰী।—আমি বৈদ্যকুলে জন্ম ধাৰণ কৰিতে হইবে। আমি
সৰ্ব্বদা কায়স্থেৰ উপৰে থাকিবে।

চিত্ৰগুপ্ত।—আমি ত চিৰকাল কায়স্থ—পৃথিবীতেও কায়স্থ হব।
কায়স্থ কখনই বৈদ্যেৰ নীচে নয়। ধন্বন্তৰী সাহেবেৰ
উক্তিতে আমি বড়ই দুঃখিত হইলাম।

ধন্বন্তৰী।—এই বৃহৎ বিষয় অদ্য মীমাংসা হইতে পাঁৰিবেক না।
ইহাৰ বিচাৰ পশ্চাৎ হইবেক।

অগ্নি।—আমি ত ভাই সৰ্ব্বভক্ষ—সুতৰাং ব্ৰাহ্ম।

অশ্বিনী কুমাৰ।—আমি বাক্যবীৰ হইব। বাক্যেৰ দ্বাৰা মানুষ
মাতাইয়া দিব। নাস্তিককে ধৰ্ম্ম-শিক্ষা দেওয়া
বই ত নয়! সে ত পাঁচ মিনিটেৰ কাজ।

কাৰ্ত্তিক।—মই বাবু হৈ উপজিম। ধৰ্ম্ম-বিষয়ৰ বক্তৃতাৰে মানু-
হক তবধ লগাম। কিন্তু মই নিজে হলে বক্তৃতাৰ
উপদেশ মতে কেতিয়াও নচলোঁ—কিয়নো নিজে
ধাৰ্ম্মিক হৈ নিৰীহ ভাৱে থাকিলে মোৰ influence
নেথাকিব। মানুহে গণিতা নকৰিলে, উপদেশ লব
কোনে? চাৰিও পোনে Executive Religion
চলাই দিম। ঘৰত বোপাইক টঙ্গনিয়াই নিজৰ মহ-
তালি দেখাম—তেতিয়া থৰহৰি কম্পমান হৈ পালে
পালে মানুহ আহি মোৰ পিতৃ-ভক্তি বিষয়ৰ বক্তৃতা
শুনিব হি।

গণেশ।—মই পণ্ডিত অৱতাৰ হম। বেজালি, খোৰাখুবুনী,

গু-কৰতি, স্বপ্ন-চৰিত, ফুল-কোৱঁৰ, মণি-কোৱঁৰ, ডাক-চৰিত, এনে বিলাক শাস্ত্র ৰচনা কৰি ধৰ্ম্মৰ বাও সিচি দিম। পাপৰ পানী বাঢ়ে মানে মোৰ বাও দোপে দোপে দাংখাই অহিব।

নাৰদ।—মই পৃথিবীত টেটোন-টামন নাম লৈ পূজা সবাহ আদিত দন্দ-হাই লগাই ফুৰিম। কাঁজিয়া-পেঁচাল নহলে যে ধৰ্ম্ম নপকে!

শিৱ।—কোন্ কত জন্ম লব, সেইবাবে তৰ্ক কৰি, হেৰাথৰি খাই মৰিব লাগিছে কিয়? যাৰ যেনে সুবিধা হয়, তেনে কৰিব। আমাৰ এতিয়া মিছাতে সময় নষ্ট কৰিছাহঁক কিয়? সুখৰ আগন্তক হলেই। এতিয়া বং-ধেমালি কৰি পৃথিবীলৈ যাওঁহঁক বলাঁ। হেৰ নন্দী, ভৃঙ্গী ঔ!

(নন্দী আৰু ভৃঙ্গীৰ প্ৰবেশ)

তহঁত দুয়ো অমৃত কেই ভাও মান সাঙ্গি ভাৰ কৰিলৈ আহ্। বেগতে যা।

[ নন্দী আৰু ভৃঙ্গীৰ প্ৰস্থান।

অশ্বিনীকুমাৰ।—তাইত, তাইত, শুধু কথায় চিড়ে ভিজে না। যেম্নি নোক, তেম্নি কাজ। শিব বাবু না হলে কি আসড় জমে।

(নন্দী আৰু ভৃঙ্গীৰ অমৃতৰ সাঙ্গি-ভাৰ লৈ প্ৰবেশ।)

ধন্বন্তৰী।—নন্দী, হামাৰা ওৱাস্তে এক পেগ্।

(সকলোৱে অমৃত-পান কৰি মতলীয়া হয়।)

ইন্দ্ৰ।—(ঢলি ঢলি) ইয়াত এই দৰে থাকিলেই জানো হব। পৃথিবীত উপজিব গৈ লাগে নহয়। যাওঁ বলাঁ।

( মতলীয়া গান। )

নাৰদ।—

ঢেঁকি নেহি মেৰা, ( ম্যায় ) কেইসে যাওঁ।
ঘূৰত ফিৰত বহুত তক্লিফ্ পাওঁ॥
নৰলোক জ্যাদা দূৰ, কমৰমে কম্তি জোৰ,
পয়দল্ চল্নে দৰদ্ কৰেগা পাওঁ॥

সকলোৰে প্ৰস্থান।

## ২য় দৰ্শন।—অমৰাৱতী।

অপ্সৰী।

আহাঁ সবে মিলি, নাচি হালি-জুলি,
আনন্দ-ৰসত বুৰাওঁ মন।
গুচিব প্ৰলয়, হব ভাগ্যোদয়,
পাব পুনু সুখ দেৱতাগণ॥
উলাহ-প্ৰাণেৰে, বিজুলী-হাঁহিৰে,
চেটিয়াওভনী সুখ-কিৰণ।
বুকু উদঙ্গাই, অঁাজলি ভৰাই,
কৰোঁ পুষ্প-বৃষ্টি, শুভ-লক্ষণ॥
হিয়া জুৰি বয়, আনন্দৰ নই,
খেলিছে প্ৰেমৰ-ঢউ সঘন।
তালে তালে ভৰি, পেলাই লগৰী,
মিচিকি-হাঁহিৰে ধৰোঁ নাচন॥

[ পটক্ষেপ।

# পঞ্চম অঙ্ক।

---

## ১ম দৰ্শন।—মিৰিকা-মৰা সত্ৰ।

( ভাগতী আৰু কেইজনমান মঠিয়ন শিচেৰে সৈতে বিষ্ণুদেৱ মহন্তৰ শাস্ত্ৰালাপ। )

ভাগতী।—( পুথি গায়। )

"যি থানে থাকে সিতো স্যমন্তক।
নাহিকে দুৰ্ভিক্ষ মাৰিমৰক॥
নাহিকে ব্যাধি ব্যাঘ্ৰ সৰ্প-ভয়।
একো উপসৰ্গ নোপজে তয়॥

[ দুজন শিক্ষিত ডেকাৰ প্ৰবেশ আৰু উপবেশন।

ভাগতী।—প্ৰভু জগন্নাথ, এই ফাকিৰ বা অৰ্থ কি ?

মহন্ত।—ইয়াৰ অৰ্থ এই ঃ—স্যমন্তক মণি আনি যদি কোনোৱে আমাৰ সাধু-মহন্তৰ থানত থৈ দিয়ে, তেনেহলে তেওঁৰ আকাল বা ৰোগ-ব্যাধি একো নহয়।

১ম শিচ।—স্যমন্ত মণিত কৈ আৰু মণি নাই। তেনে অমূল্য বস্তুকো সাধু-মহন্তৰ সত্ৰত থবৰ নিমিত্তে শাস্ত্ৰত বিধি দিছে। আমাৰ মানুহে আজিকালি গোঁসাইক চাউল এটোম আৰু পয়চা চাৰি অনা দিবলৈও কেঁকায়।

মহন্ত।—বাঘ আৰু সাপৰ ভয় নেথাকে আৰু আন উপসৰ্গে তাক নেপায়।

২য় শিচ।—জগন্নাথ, উপসৰ্গ নো কাক্ বোলে ?

মহন্ত।—ৰত্নমালা ব্যাকৰণৰ মতে যাই উপসৰ্গ—২০টা। ভূতকেই উপসৰ্গ বোলে। ভূত বিলাকৰ তাত নামো দিয়া আছে। সিহঁতৰ এই এই নাম ঃ—প্ৰ, পৰা, অপ, সং, অনু, অব, নিৰ, দুৰ, অভি, বি, অধি, সু, উৎ, অতি, নি, প্ৰতি, পৰি, অপি, উপ, আ।

৩য় শিচ।—প্ৰভু জগন্নাথ, এই বিলাকনো কেনেকুৱা ভূত ?

মহন্ত।—প্ৰত্যেকৰ ব্যাখ্যা কওঁ শুনা ঃ—

প্ৰ।—যি সাধু মহন্তক প্ৰণাম নকৰে, সেই পাপিষ্টক "প্ৰ" ভূতে ধৰে।

পৰা।—যি গুৰু-কৰ দিবলৈ পৰাঙ্মুখ, তাক "পৰা" ভূতে পাই, ধন-বিত নাশ কৰে।

অপ।—গুৰুৰ অপকাৰ চিন্তিলে, সি "অপ" ভূতৰ ঠঙ্গনা খায়।

সং—বৈষ্ণৱৰ সঙ্গ নললে, "সং" ভূতে লটি-ঘটি কৰে।

অনু—সাধুৰ অনুগ্ৰহ নেপালে, "অনু" ভূতে মন বাতুল কৰে।

অব।—গুৰুলৈ অৱহেলা হলে, "অব" ভূতে ধৰি, ধুতি-বিধুতি নমনা কৰি অনাচাৰী কৰে।

নিৰ।—যি গুৰুৰ নিৰ্ম্মালী লবলৈ টিকনী নেৰাখে, তাৰ মূৰৰ তালুত "নিৰ্" ভূত উঠি চুলি খাই তাক টপা কৰে।

দুৰ্।—যি সাধু-মহন্তৰ দুৰ্ণাম ৰটে, তাৰ জিভাত "দুৰ" ভূত লম্ভি কথাত ঘাটি খুৱায়।

অভি।—যি অভিমান কৰি গুৰুৰ আগত বহিবলৈ আসন বিচাৰে তাৰ শৰীৰত "অভি" ভূতে ব্যাধি জন্মায়।

বি।—গুৰুৰ বিধি-ব্যৱস্থা উলঙ্ঘা কৰিলে, "বি" ভূতৰ পাটলিত পৰে।

অধি ।—অধিকাৰ পুৰুষৰ সেৱা-চুৰ কৰিলে “অধি” ভুতে সপোনত তাৰ কাণ মলিদিয়ে।

সু ।—সুযোগ পালে লুকাই চুৰ কৰি যি অভক্ষ্য ভক্ষণ কৰে, “সু” ভুতে তাৰ পেটত সোমাই পেট গেৰেলা কৰে।

উৎ ।—যি সাধু-সন্ত নেমানি উদ্ভণ্ডালি কৰি ফুৰে, “উৎ” ভুত লাগি তাৰ থান-থিত নোহোৱা কৰি গৃহস্থালি ভাঙ্গে।

অতি ।—অতিকৈ ইংৰাজী পঢ়িলে “অতি” ভুতে নাস্তিক কৰে।

নি ।—নিজে আগৈয়ে খাই, পাছে কোনো বস্তু সাধু-মহন্তত লগালে, তাৰ পেটত “নি” ভুত সোমাই অজীৰ্ণ ৰোগ জন্মায়।

প্ৰতি ।—গুৰুৰ কথাত প্ৰতিবাদ কৰিলে “প্ৰতি” ভুতে পাই চেল্‌বেলীয়া কৰে।

পৰি ।—যি নিজ গুৰু পৰিহাৰ কৰে তাৰ গাত “পৰি” ভুত লাগি, পৰলোকত গৰু-নেজত ধৰি, বৈতৰনী পাৰ হওঁতে, নেজ ছিঙ্গি পানীত উটাই লৈ যায়।

অপি ।—যত্মপি কোনো শিচে সিধাৰ লগত নিজলৈ চিতলৰ কোলঠি ৰাখি, গুৰুলৈ গদা দিয়ে, তেনে হলে মৰিলে “অপি” ভুতে তাক ধৰি গদাৰে কুৰিয়ায়।

উপ ।—হাতী কিনিবলৈ গুৰুক ধন দি উপকাৰ নকৰিলে “উপ” ভুতে তাৰ সাঁচতীয়া ধন লুপ্ত কৰে।

আ ।—আশা-গুধীয়া হৈ মহন্তক ধন-বস্তু সৰ্ব্বস্ব অৰ্পণ কৰি ফটা-কানি পিন্ধিলে, মৰাৰ পাছত “আ” ভুতে তেঁৰাক হোৰাত ভৰাই ধ্ৰুব লোকলৈ নি ধ্ৰুবক খেদাই দি সেই পৰম ভক-তক্ত তাত থাপে গৈ।

২য় শিচ।—( আথে বেথে ) সাক্ষাৎ ঈশ্বৰ নহলে এনে গুপুত ৰহস্য কোনে ভেদাব পাৰে।

৩য় শিচ।—জগন্নাথ, "নোপজে ৩য়" ইনো কি ?

মহন্ত।—"৩য়" অর্থাৎ গালি নোপজে। স্যমন্ত মণি যাৰ হাতত থাকে, তেওঁক সকলোৱে মান-সম্ভ্রম কৰে। অমৰ-কোষত লিখা আছে ঃ—"মই পদে অহঙ্কাৰ, তই পদে গালি।"

১ম শিচ।—( প্রেম-ৰসত কেঁকুৰি ) মোৰ ভগৱন্তৰ লীলা! প্রভু জগন্নাথ, এখেত সাক্ষাৎ ঘাই-জনা ঈশ্বৰ। কৃপা কৰি সন্দেহ ভঞ্জন কৰক।

মহন্ত।—( গহীনকৈ ) মই এই কথা অত দিনে গুপুতে ৰাখি-ছিলোঁ। কিন্তু তোমালোকৰ একান্ত ভকতি দেখি, মই আৰু স্বৰূপ লুকাই ৰাখিব নোৱাৰোঁ; আমিয়েই বৈকুণ্ঠৰ বিষ্ণু। কলিযুগত ধর্ম্মৰ তিনি পাদ খহিল দেখি, নিজে অৱতাৰ ধৰি নৰ-মনিচক ভৱ-সাগৰ পাৰ কৰিবলৈ আহিছোঁ।

১ম শিক্ষিত।—প্রভু জগন্নাথ, অপৰাধ নধৰিলে দাসে এটি কথা জনাব খোজোঁ।

মহন্ত।—ভাল, কোৱা যাওক।

১ম শিক্ষিত।—প্রভু ঈশ্বৰে যি শাস্ত্র ব্যাখ্যা কৰিলে, তাৰ অর্থ আমি এই দৰে হে বুজিছোঁ ঃ—যি ঠাইত স্যমন্তক মণি থাকে, তাত আকাল বা মাৰিমৰক নহয়। ব্যাধি নোপজে। বাঘৰ আৰু সাপৰ ভয় নেথাকে। আৰু কোনো আনুষঙ্গিক বিপদো তাত নঘটে।

থানৰ অৰ্থ ঠাই। উপসৰ্গৰ অৰ্থ ভুত নহয়। যাই ৰোগৰ ঠাল-ঠেঙ্গুলি বিলাককে উপসৰ্গ বোলে। "তন্ন" বুলিলে "তাত্" বুজায়।

মহন্ত।—সেইটি পদাৰ্থ হে। মই কোৱাটি গূঢ়াৰ্থ। ইংৰাজী পঢ়া মানুহ—তোমালোকে গূঢ়াৰ্থ কেনেকৈ বুজিবা?

২য় শিক্ষিত।—প্ৰভু জগন্নাথ, পদাৰ্থ আৰু গূঢ়াৰ্থ দুইটি কটা-মৰা শত্ৰু নহয়। ইটিৰ বুকুত সিটি থাকে; তিলৰ গৰ্ভত তেল থকা দি পদাৰ্থৰ গৰ্ভত গূঢ়াৰ্থ থাকে।

মহন্ত।—পদাৰ্থ গূঢ়াৰ্থ স্বৰ্গ-মৰ্ত্ত্য আঁতৰ। ভকত নহলে গূঢ়াৰ্থ বুজিব নোৱাৰে! পদাৰ্থ যেয়ে সেয়ে বুজিব পাৰে।

ভাগতী।—প্ৰভু ঈশ্বৰেৰে তোমালোকে যে বান্দ কৰিছা, তুমি নো শাস্ত্ৰ-ভাগৱত কেইখন লুটিয়াইছা। "ভকত ভোবোলা, ঠেং পথৰা, উছঙ্গিবলৈ নেপালে ঠাই। ভকতটো কেতকুৰি পাতত বহিছে, পিছলি পিছলি যায়।" বাৰু এই ফঁাকিৰে অৰ্থ কোৱাঁচোন। চাওঁ তোমালোক নো কিমান পাণীৰ মাছ।

১ম শিক্ষিত।—(হাঁহি, লগৰীয়া বন্ধুলৈ চাই) What non-sense he talks. (ভাগতীলে চাই) কি অৰ্থ-নাইকিয়া কথা কৈছে?

ভাগতী।—ইমানৰ হে পঁৰিত।

[ ভাগতী আৰু শিচ কেইজনে খল-খলকৈ হাঁহে।

২য় শিক্ষিত।—আমি আপোনালোকেৰে চুপতি কৰিবলৈ অহা নাই। আমি প্ৰভুক অৰ্থ সুধিছোঁ।

১ম শিক্ষিত।—জগন্নাথ, মনত আৰু এফেৰি খুকুৰি আছে, ভাঙ্গি

কলে বৰ ভাল হয়। শাস্ত্ৰত যে লিখিছে, স্যমন্ত মণি থাকিলে কোনো বিপদ নঘটে, তেনে হলে প্ৰসেনক সিংহে কেনেকৈ মাৰিলে আৰু সেই সিংহকনো ভালুকে কেনেকৈ মাৰিলে আৰু ভালুক নো যুদ্ধত হাৰিল কিয় ?

মহন্ত।—সাধু প্ৰশ্ন কৰিছা। "যি থানে থাকে সিতো স্যমন্তক"—থানত দিলে হে বিপদ নঘটে। আক্ৰোহ কৰি নিজে ৰখা বাবে এনে লটি ঘটি নহব কিয় ?

২য় শিক্ষিত।—জগন্নাথ, এই ফাকিৰ অৰ্থ কি?—"মুক্তিত নিস্পৃহা যিটো, সেহি ভকতক নমো. ৰসময় মাগোঁহো ভকতি।"

মহন্ত।—ই অতি গুপুত কথা। তোমালোকে যে সুধিলা, বাৰু কওঁ শুনা। ভকতি অৰ্থে ভকতনী। যি গৰাকি ভকতনীৰ মুক্তিত স্পৃহা নাই অৰ্থাৎ মুকুটি খাবলৈ যাৰ মন নাই, তেওঁ ভকতক নমঃকাৰ কৰি ৰস বিচাৰে। ভাঙ্গি নকলে নুবুজাঁ। ৰস অৰ্থে ভক্তিৰ ৰস। ভকতনী জনা গাভৰু হবলাগে। ফলিতাৰ্থে, জনা-বুজা গোপিনীয়ে ভক্তিৰ ৰস পিবলৈ শ্ৰীকৃষ্ণক বনে বনে বিচাৰি ফুৰিছিল।

১ম শিক্ষিত।—মুকুতি নো কাক বুলিছে ?

মহন্ত।—কিয়, থকৰা-মুকুটি।

২য় শিক্ষিত।—তেনেহলে, "কৃষ্ণৰ নামেসে সাধে ভুকুতি মুকুতি" —ইয়াৰ অৰ্থ কি হব ?

[ মহন্তই মেহেঙ্গা মেহেং কৰে।

ভাগতী ।—(ভূকু আৰু মুকুটিৰ মুদ্ৰা দেখুৱাই) ভুকুতিৰ অৰ্থ ভুকু-টি আৰু মুকুতিৰ অৰ্থ মুকুটি। ইয়াৰে অৰ্থ বুজিব নোৱাৰিলানে ?

২য় শিক্ষিত ।—(হাঁহি হাঁহি) তেনেহলে কৃষ্ণৰ নাম ললে ভুকু আৰু মুকুটি হে খাবলগীয়া হল গৈ !

মহন্ত ।—মোৰ পেটটো দেখোন খোচা-বিন্ধা কৰিছে। ভাগতী, পুথি সামৰাঁ। মই ভিতৰলৈ যাওঁ।

[ মহন্ত, ভাগতী আৰু শিচ কেইজনৰ প্ৰস্থান।

১ম শিক্ষিত ।—কথাৰ যাঠিয়ে পেটত কুচিয়া-খোচা দিলে ! এই দৰেই মহন্ত বিলাকে দেশ ভাঙ্গিলে।

২য় শিক্ষিত ।—ভুৱা দিয়া দিন লাহে লাহে উকলিছে। ভেটা ভাগিবলৈ ধৰিলে যেতিয়া আৰু তাক ৰখা টান।

[ দুইৰো প্ৰস্থান।

## ২য় দৰ্শন ।—মায়া-কানন ।

( মূৰ্ত্তিমান্ কলিযুগৰ প্ৰবেশ। )

## গীত ।

কলিযুগ ।—

আনন্দে ভুগিম ৰাজ্য, নোৱাৰে ভাঙ্গিব মোক।
মোৰ শাসনত কাৰো নাই কোনোকালে শোক ॥
সুখেৰে পালিছোঁ প্ৰজা, মই হে ধৰমী ৰজা,
প্ৰেমৰ জৰীৰে মই, বান্ধিছোঁ মৰত-লোক ॥

( স্বগত ) দেৱতাবিলাকে যিমানেই কি পুৰুষাৰ্থ নকৰক, মানুহক মোৰ অধিকাৰৰ পৰা বাজ কৰিব নোৱাৰে। মই থাকোঁ-

মানে, সিহঁত মোৰ সদাই বশ হৈ থাকিব। কিয়নো, মোৰ শাসনত সকলো প্ৰজা সুখী। মই কাকো অত্যাচাৰ কৰা নাই। সকলোকে সমান অধিকাৰ দিছোঁ। কাৰো জাতীয় ধৰ্ম্মত হাত দিয়া নাই। ইচ্ছা অনুসৰি নিজ যুক্তিমতে যেনেকৈ চলিব খোজে, তাত মোৰ হকা-বাধা নাই। মোৰ ৰাজ্যত পক্ষপাতী শাস্ত্ৰৰ বিধান মতে বামুণে শূদ্ৰিবক, মটাই তিৰোতাক স্বাৰ্থৰ জৰীৰে বান্ধি থোৱা নাই সকলো বিধ স্বাস্থ্যকৰ পান-ভোজনত মানুহক অধিকাৰ দিছোঁ। আত্মোন্নতিৰ নিমিত্তে সাগৰ-যাত্ৰা নিষেধ কৰা নাই। জী-জোৱাঁইৰ ঘৰত চৌ-খুটি মাৰিবলৈ ব্যৱস্থা দিয়া নাই। প্ৰমাণিক ডাক্তৰি ঔষধ ঘিণ কৰি, ফপহুতা অসমীয়া বেজৰ দৰৱ খাই আৰু আগ-ভাগ, পূজা-পাটল কৰি, কাকো মৰিবলৈ দিহা দিয়া নাই। মই যি স্থলত ইমান বিলাক সুবিধা দিছোঁ, প্ৰজাই বিদ্ৰোহ আচৰিবলৈ আগ নেবাঢ়ে। মোৰ বিপদৰ কোনো কাৰণ নাই। দেৱতাৰ ভাবুকিয়ে মোৰ বুকু কঁপাব নোৱাৰে। এতেকে বাৰেওটি কাল নিষ্কণ্টকে মই ৰাজ্যভোগ কৰি থাকোঁ।

[ প্ৰস্থান।

## ৩য় দৰ্শন।—প্ৰলয়-পয়োধি।

( নিয়তিৰ আবিৰ্ভাব। )

### গীত।

নিয়তি।—

বিশ্ব-জগতৰ বিধি, কোনে নো লঙ্ঘিব পাৰে।
সত্য, ত্ৰেতা আছে চলি, আৰু হে দ্বাপৰ, কলি,
যুগে যুগে যুগ-ধৰ্ম্ম, আপোন গুণ বিস্তাৰে।

প্ৰলয়-পয়োধি এই, গৰজিছে কেনে কই,
ভীষণ ঢ়উৰ স্তূপ, গৰ্ভৰ পৰা উগাৰে।
দশোদিশ জুৰি শুনি, ভয়ঙ্কৰ খলকনি,
মলয়-গহ্বৰ এৰি, সঘনে ধুমুহা মাৰে।
দুৰ্জ্জয় মূৰতি ধৰি, শতেক যোজন জুৰি,
অনন্ত নাগৰ ৰজা, আছে সহস্ৰ ফণাৰে।
বুকুত বিজুলী ধৰি, ঘোৰ ঢ়েৰেকনি মাৰি,
কলা-মলা মেঘবোৰ, আকাশখনি এন্ধাৰে।
স্তম্ভিত বিশ্ব-জগত, মায়া-জালে অবিৰত,
অসীম অব্যয় কাল, ঘুৰি আছে চক্ৰাকাৰে।
( যবনিকা পতন। )

---

সম্পূৰ্ণ।

DIBRUGARH ... COLLEGE
14133
LIBRARY
Accession No.

# জাননী।

শ্রীযুত বেণুধৰ ৰাজখোৱা বি-এ আৰু
শ্রীযুত দুৰ্গাপ্ৰসাদ দত্ত দ্বাৰা লিখা
সমুদায় কিতাপ বেচিবৰ নিমিত্তে আমাৰ হাতত যুগুত আছে। সৰহীয়াকৈ নিলে সুবিধাজনক কমিশন দিয়া যাব।

ঘোষ ব্ৰাদাৰ্স্ এণ্ড কোং
বুক-এজেণ্টচ্ এণ্ড জেনেৰেল মাৰ্চ্চেণ্টচ্,
শিৱসাগৰ।